# অসমীয়া লোকনাট্য

## ঐতিহ্য আৰু আধুনিকতা



# ASOMIYA LOKONATYA

## AITIYYA ARU ADHUNIKATA

**ASOMIYA LOKONATYA : AITIYYA ARU ADHUNIKATA :** A proceeding volume of National Seminar held on 28th June, 2016 organised by Tribal Study Centre and Seminar Organising Committee in collaboration with Asam Sahitya Sabha and published by Publication Committee Bikali College, Dhupdhara, and printed at Shri Ganesh Printers, Noonmati, Guwahati-781020.

---

ISBN : 978-81-92178-45-5

First Edition : August, 2016

© Principal, Bikali College
All right reserved.
No parts of this publication may be reproduced or transmitted in any form or by any means, or stored in a database and retrieval system without the prior written permission of the Publisher.

Price : Rs. 500.00

Cover design : Editorial Board

Printed at :
Shri Ganesh Printers, Noonmati, Guwahati-781020
Phone : 9707010889, E-mail : bhattacharyyapratul@gmail.com

# প্ৰবন্ধ লেখকৰ তালিকা

## (List of Contributors)


- ড° নবীন চন্দ্ৰ শৰ্মা
  অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক, লোকসংস্কৃতি গৱেষণা বিভাগ,
  গুৱাহাটী বিশ্ববিদ্যালয়
- ড° পৰমানন্দ ৰাজবংশী
  প্ৰধান সম্পাদক, অসম সাহিত্য সভা
- ড° অনন্যা বৰুৱা
  সহযোগী অধ্যাপিকা, বিকালী মহাবিদ্যালয়
- ড° পাৰুল নাথ
  সহযোগী অধ্যাপিকা, দুধনৈ মহাবিদ্যালয়
- ৰেণুকা ভট্টাচাৰ্য
  সহকাৰী অধ্যাপিকা, বিকালী মহাবিদ্যালয়
  উপেশ চক্ৰৱৰ্ত্তী
  সহযোগী অধ্যাপক, হাত্ৰাঘাট মহাবিদ্যালয়
- বিজয়া ডেকা
  সহযোগী অধ্যাপিকা, জৱাহৰলাল নেহৰু মহাবিদ্যালয়
- ড° হাবীবুৰ ৰহমান
  সহযোগী অধ্যাপক, জাগীৰোড মহাবিদ্যালয়
- প্ৰণীতা মহন্ত
  সহকাৰী অধ্যাপিকা, বিকালী মহাবিদ্যালয়
  দীপিকা ৰাভা
  সহকাৰী অধ্যাপিকা, বিকালী মহাবিদ্যালয়
- ড° ভানু বেজবৰা কলিতা
  সহযোগী অধ্যাপিকা, গোৱালপাৰা মহাবিদ্যালয়
- ড° কুলেন্দু নাথ
  সহকাৰী অধ্যাপক, বিকালী মহাবিদ্যালয়
  ড° স্নিগ্ধা দাস নাথ
  সহকাৰী অধ্যাপিকা, বিকালী মহাবিদ্যালয়
- বীণা দাস
  সহকাৰী অধ্যাপিকা, গোৱালপাৰা ছোৱালী মহাবিদ্যালয়
- ৰুকুনুদ্দিন আহমেদ
  গৱেষক ছাত্ৰ, গুৱাহাটী বিশ্ববিদ্যালয়

# বিষয় সূচী


| | | |
|---|---|---|
| • ভাৰিগান | ড° নবীন চন্দ্ৰ শৰ্মা | ১৭ |
| • লোক-সংস্কৃতিৰ প্ৰেক্ষাপটত ভাৰীগান | ড° পৰমানন্দ ৰাজবংশী | ২৫ |
| • জনকৃষ্টিৰ বাহক "ভাৰীগান"- এক ক্ষেত্ৰ ভিত্তিক পৰ্য্যালোচনা | ড° অনন্যা বৰুৱা | ৩১ |
| • লোক-সংস্কৃতিৰ অনন্য উপাদান ভাৰীগান ঃ ইয়াৰ ধাৰণা আৰু শিক্ষাগত মূল্য | ড° পাৰুল নাথ | ৪১ |
| • অসমত প্ৰাচীনতম লোকনাট্যানুষ্ঠান দৰং জিলাৰ "খুলীয়া ভাউৰীয়া" | ৰেণুকা ভট্টাচাৰ্য<br>উপেশ চক্ৰৱৰ্ত্তী | ৪৭ |
| • ভাৰীগানৰ সমধৰ্মী অনুষ্ঠান দৰঙৰ খুলীয়া ভাউৰীয়া ঃ গৰৈমাৰা কৃষক খুলীয়া ভাউৰীয়াৰ উল্লিখনসহ | বিজয়া ডেকা | ৫৯ |
| • গোৱালপৰীয়া 'দেশী মুছলমান'ৰ মাজত প্ৰচলিত লোকনাট্য ঃ খাৰাতাল গান | ড° হাবীবুৰ ৰহমান | ৬৯ |
| • গোৱালপাৰাৰ লোক নাট্যানুষ্ঠান ভাৰীগান ঃ চমু আলোকপাত | প্ৰণীতা মহন্ত<br>দীপিকা ৰাভা | ৮৪ |
| • ভাৰীগান আৰু ভাৰতীয় নাট্যানুষ্ঠান | ড° ভানু বেজবৰা কলিতা | ৯০ |
| • গোৱালপাৰা জিলাৰ লোকনাট্যৰ এক সমীক্ষাত্মক অধ্যয়ন ঃ ভাৰীগান আৰু কুশানগানৰ উল্লিখন সহ | ড° কুলেন্দু নাথ<br>ড° স্নিগ্ধা দাস নাথ | ৯৭ |
| • ভাৰীগান আৰু খুলীয়া ভাউৰীয়াৰ সমধৰ্মিতা | ৰীণা দাস | ১০৬ |
| • ভাৰীগানত ব্যৱহৃত মুখা | ৰুকুনুদ্দিন আহমেদ | ১১৫ |
| • গোৱালপৰীয়া লোকনাট্যানুষ্ঠান "খাৰাতাল গান" এটি চমু আলোচনা | ড° তেজস্বিনী নাথ | ১২৬ |
| • গোৱালপৰীয়া লোকনাট্যানুষ্ঠান 'ভাৰীগান'ৰ এক চমু পৰ্য্যালোচনা | হীৰামণি দেৱী<br>অনুস্মিতা বায়ন | ১৩৫ |

# ভাৰীগানৰ সমধৰ্মী অনুষ্ঠান দৰঙৰ খুলীয়া ভাউৰীয়াঃ গৰৈমাৰা কৃষক খুলীয়া ভাউৰীয়াৰ উল্লিখনসহ

বিজয়া ডেকা

০.১. আৰম্ভণি ঃ

ভাৰতীয় সংস্কৃতিৰ মূল ভিত্তি হল বৈচিত্ৰ্যৰ মাজত ঐক্যৰ সমাহাৰ। জাতি ধৰ্ম - বৰ্ণ- ঠাইনিৰ্বিশেষে নিজা সংস্কৃতি অনুসৰন কৰি জীৱন নিৰ্বাহ কৰাটোৱে ভাৰতীয় জনসাধাৰণৰ বৈশিষ্ট্য।

ভাৰতবৰ্ষৰ উত্তৰ পূৰ্বাঞ্চলত অৱস্থিত অসম সংস্কৃতিৰ ক্ষেত্ৰত অতি চহকী। অসমত বাসকৰা বিভিন্ন লোকসকলৰ লোক সংস্কৃতিৰ সমাহাৰেৰে অসমীয়া সংস্কৃতিয়ে এক বিশেষ স্থান অধিকাৰ কৰি আহিছে। পৰম্পৰাগতভাৱে চলি অহা সংস্কৃতিকে লোক সংস্কৃতি বোলে। কোনো এখন ঠাইৰ লোক সংস্কৃতিয়ে সেই সমাজৰ স্পষ্ট ছবি আৰু স্বকীয়তা বজাই ৰখাত সহায় কৰে। ৰিৰ্চাড এম. ডৰচনে বিভিন্ন বৈশিষ্ট্যৰ আধাৰত লোক সংস্কৃতি আৰু লোক জীৱন অধ্যয়নৰ ৪ টা ক্ষেত্ৰ দেখুৱাইছে। যেনে-

(ক) মৌখিক সাহিত্য বা বাচিক কলা (oral literature or verbal Art)

(খ) বাস্তৱ লোকজীৱন বা ভৌতিক সংস্কৃতি ( Physical Folklore or Material Culture)

(গ) সামাজিক লোকাচাৰ (Social Folk Customs)

(ঘ) লোক পৰিৱেশ্য কলা ( Folk Performing Arts)

**০.২. লোক পৰিৱেশ্য কলা ঃ**

লোক পৰিৱেশ্য কলাই অসমৰ সাংস্কৃতিক পথাৰ খন চহকী কৰিছে। পৰিৱেশ্য কলাই নিৰ্দিষ্ট ৰূপৰ (Form) মাজেদি স্বৰূপাৰ্থত কথিত বা লিখিত কলাক চাক্ষুষ ৰূপ দিয়ে। পৰিৱেশ্য কলাৰ মাজেৰে গীত, পদ, বচন, প্ৰবচন, লোকোক্তি প্ৰাজ্ঞোক্তি, শ্ৰুতি-জনশ্ৰুতি, মালিতা বা কাহিনী গীত, লিখিত নাটক আদিয়ে নৃত্য গীত, বাদ্য, বাজনা অভিনয় আদিৰ মাজেৰে দৃশ্য শ্ৰব্য ৰূপ পৰিগ্ৰহ কৰে। এক কথাত গীত-নৃত্য অভিনয়ৰ সমাহাৰৰ জৰিয়তে পৰিৱেশন কৰা লোককলা সমূহেই পৰিৱেশ্য কলা। লোক পৰিৱেশ্য কলা ৰূপে পৰিগণিত হ'বলৈ হ'লে ইবোৰ কোনো ব্যক্তি বা দলৰ দ্বাৰা লোকবাদ্য, লোক আভৰণ ইত্যাদিৰে সৈতে পৰিৱেশন কৰা হ'ব লাগিব। লোক পৰিৱেশ্য কলাৰ বৈশিষ্ট্যৰ প্ৰতি লক্ষ্য কৰি ইয়াক লোকগীত, লোকনৃত্য আৰু লোকনাট্য হিচাবে তিনি ভাগত ভগাব পাৰি। এই লোক পৰিৱেশ্য কলা ৰীতি সমূহে অসমীয়া সংস্কৃতিক বৈচিত্ৰ্য প্ৰদান কৰিছে।

পৰিৱেশ্য কলা সমূহত বিভিন্ন প্ৰকাৰৰ লোকবাদ্যৰ ব্যৱহাৰ দেখা যায়। যেনে-সৰু ঢোল, জয় ঢোল, ঢেপা ঢোল, বৰ ঢোল, বিহুঢোল, নাগাৰা, ডগৰ, ডম্বৰু, বীণ, বেনা, একতাঁৰা, দোতাৰা, টোকাৰী, গগনা, তাল, বৰতাল, খুটিতাল, ভোৰতাল, খঞ্জুৰী, বাঁহী, কালি, পেপাঁ, সুতুলী, চিফুং, শংখ আদি অনেক বাদ্যৰ ব্যৱহাৰে পৰিৱেশ্য কলাসমূহক আকৰ্ষণীয় কৰি তোলে। ৰামায়ণ-মহাভাৰত আশ্ৰয়ী কাহিনী, সাজসজ্জা, মুখাৰ ব্যৱহাৰ আৰু উপস্থাপন শৈলীয়ে লোক পৰিৱেশ্য কলাসমূহক বৈচিত্ৰ্য প্ৰদান কৰিছে। ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত নানান ৰূপত পৰিৱেশ্য কলা থকাৰ দৰে অসমতো ইয়াৰ প্ৰদৰ্শন দেখা যায়। অসমৰ বিভিন্ন অঞ্চলত বিশেষকৈ নামনি অসমত পৰিৱেশ্য কলাৰ পয়োভৰ দেখা যায়। দৰং জিলা আৰু কামৰূপ জিলাৰ কেবা ঠাইতো পুতলা নাচ ওজাপালি আদি অনুষ্ঠান আছে। আনহাতে কামৰূপীয়া ঢুলীয়া আৰু দৰঙৰ ঢেপা ঢুলীয়া অতি জনপ্ৰিয়। সাধাৰণতে কোনো সমকালীন ঘটনাক লৈ ঢুলীয়া প্ৰদৰ্শন কৰা হয়। ই সম্পূৰ্ণৰূপে হাস্য ব্যংগাত্মক। দৰঙৰ খুলীয়া ভাওনা বা ভাউৰীয়া অতি হৃদয়স্পৰ্শী অনুষ্ঠান। সেইদৰে গোৱালপাৰা জিলাৰ পশ্চিমাংশত কুশান গান আৰু ভাৰীগান পৰিৱেশন কৰা পৰিলক্ষিত হয়।

**০.৩. ভাৰীগানঃ**

গোৱালপাৰা জিলাত প্ৰচলিত এবিধ নাট্যধৰ্মী অনুষ্ঠান হ'ল 'ভাৰীগান'। 'ভাৰী গান' বিশেষভাৱে প্ৰচলিত অঞ্চলবোৰত বা এইবিধ নাট্যাভিনয়ৰ উৎস স্থানত 'ভাৰি' অভিধাৰ সলনি 'ভাৰী' পদটোহে ব্যৱহাৰ কৰে, যেনে-'ভাৰীগান'।

কোনো কোনোৰ মতে 'ভাৰি/ভাৰী গান'ৰ অভিধানত মুখা অপৰিহার্য্য। এই মুখাবোৰ কঠাল, আম, মদাৰি আদি কাঠেৰে নির্মিত। গতিকে এই মুখাবোৰৰ ওজন বৰ বেছি অর্থাৎ বৰ ভাৰী। সেই কাৰণে এইবিধ পৰিৱেশ্য কলাৰ নামো 'ভাৰি/ ভাৰী'।

আৰু কিছুমানৰ মতে যোগাযোগৰ বা যাতায়তৰ ভাল সুবিধা নথকা দিনত এইবিধ অভিনয়ৰ মুখা, অস্ত্ৰ-শস্ত্ৰ আদি সকলবোৰ ভাৰীসকলে ভাৰবান্ধি অভিনয় স্থানলৈ লৈ গৈছিল। ভাৰীসকলে ভাৰ বান্ধি এইবিধ পৰিৱেশ্য কলাৰ সা-সমল, সা-সঁজুলি আদিবোৰ অনা-নিয়া কৰিব লগা হোৱা বাবে ইয়াৰ নাম হ'ল ভাৰি/ভাৰীগান। বিশেষকৈ পাতিৰাভা সকলৰ মাজতহে ভাৰীগানৰ অভিনয় কৰা দেখা যায়।

**৩.১.ভাৰীগানৰ বৈশিষ্ট্য ঃ**

ভাৰীগান মূলত গীত নৃত্য প্ৰধান। সংলাপৰ ওপৰত সিমান গুৰুত্ব দিয়া নহয়। ইয়াৰ ওস্তাজনক 'গীদাল' বোলে। সেইদৰে বাইন বা পালি থাকে। দর্শকক আমোদ দিবৰ বাবে 'কেতুৱা' নামৰ এক চৰিত্ৰ থাকে। অভিনেতাই চৰিত্ৰ অনুসৰি মুখা পিন্ধে। সাধাৰণতে মা কালী বা ভগৱতী থানৰ সন্মুখত এই অনুষ্ঠান পৰিৱেশন হয়। ভাৰীগানৰ দৰে সাধাৰণতে কৃত্তিবাসী ৰামায়ণৰ কাহিনীৰ আধাৰত অভিনয় কৰে। একোটি ভাৰীগান দলত ২০/২৫ জন লোকৰ প্ৰয়োজন হয়।

**স্থান ঃ** ভাৰীগান গোৱালপাৰা জিলাৰ পশ্চিমাংশ, মেঘালয়ৰ সীমামূৰীয়া আৰু বর্তমান বঙাইগাঁও, ধুবুৰী আদিতো দেখা যায়। খুলীয়া ভাউৰীয়া দল দৰং জিলাৰ চকাবৰা, গোৱালঝাৰ, কলংঘাট, গবৈমাৰা-পুথিয়া, দক্ষিণ চুবুৰী, আউলা চৌকা আদি ঠাইত দেখা যায়।

**৩.২.খুলীয়া ভাউৰীয়া ঃ**

খুলীয়া ভাউৰীয়া দৰঙৰ জনবিনোদনধর্মী এক প্ৰাচীন লোকসংস্কৃতিৰ সম্পদ। কোনো কোনো লোকে 'খুলীয়া ভাউৰীয়া' নামটোৰ সলনি 'খুলীয়া ভাওনা নামটো প্ৰয়োগ কৰিব খোজে। এইবিধ লোকনাট্য যি অঞ্চলত বর্তমানো বিশেষভাৱে প্ৰচলিত সেই অঞ্চলৰ আই-বাই, ককা-আইতা, ককাই-ভাইহঁতে কিন্তু ভাওনাৰ সলনি 'ভাউৰীয়া' অর্থাৎ 'খুলীয়া ভাওনা'ৰ সলনি 'খুলীয়া ভাউৰীয়া' অভিধাটোহে ব্যৱহাৰ কৰে। 'খোল' শব্দৰ লগত ঈয়া প্ৰত্যয় যোগ কৰি খুলীয়া শব্দটো নিষ্পন্ন কৰা হৈছে। খোল যিয়ে বজায় তেওঁৱেই খুলীয়া। গতিকে খোল বাদ্য যন্ত্ৰ সংগত কৰি নিজকে ভাও বা ভাৱ দেখুৱায় তেওঁ 'খুলীয়া ভাউৰীয়া'। খুলীয়া ভাউৰীয়াৰ ভাৱৰীয়াসকলে ৰাম, লক্ষ্মণ, ভৰত, শত্ৰুঘ্ন, কৌশল্যা, সীতা, যুধিষ্ঠিৰ, ভীম, দ্ৰৌপদী, কুন্তী, সুভদ্ৰা আদি চৰিত্ৰৰ ভাও দিয়ে। অর্থাৎ মহাভাৰত,

ৰামায়ণ-পুৰাণ আদিৰ কাহিনীৰ ওপৰত নাট্য প্ৰদৰ্শন কৰে।

৪.১.বৈশিষ্ট্যঃ

উল্লেখযোগ্য যে খুলীয়া ভাউৰীয়াত নাৰীৰ চৰিত্ৰটি পুৰুযেহে ৰূপায়ণ কৰে। ওজা, পালি, খুলীয়া, তালুৱৈ আৰু অভিনয়ৰ কলা কুশলী এই পাঁচটি নিৰাহিকাৰ দ্বাৰা খুলীয়া ভাউৰীয়া সম্পন্ন হয় (সাৰঙ্গ-সৌৰভঃ১০১)। বিনোদনৰ বাবে বহুৱা চৰিত্ৰ থাকে। মঞ্চৰ সলনি 'অভিনয় খলা' থাকে য'ত ৰাইজৰ মাজত অভিনয় প্ৰদৰ্শন হয়। অভিনয় খলাৰ পূবদিশে বিগ্ৰহ, পশ্চিম-দক্ষিণ কোণে ছোঁ ঘৰ আৰু দৰ্শক সকল উত্তৰ-দক্ষিণ-পশ্চিম তিনিটা দিশত বহে। এই তিনি দিশত তিনিটা সৰু বাট থাকে যিফালেৰে অভিনেতা সকলে প্ৰৱেশ আৰু প্ৰস্থান কৰে।

কাহিনী আধ্যাত্মিক হোৱাৰ বাবে ইয়াত ধৰ্মৰ জয় অধৰ্মৰ পৰাজয় দেখুওৱা হয়। বিলাপ ওজাপালি সকলে আগবঢ়াই নিয়ে।

**ভাষাঃ** ইয়াত অসমীয়া ভাষাৰ ব্যৱহাৰ কৰা দেখা যায়। দৌল বা বিষ্ণুপূজা, গোন্ধ-চৌপাৰী সভা, নানাধৰণৰ উৎসৱ পাৰ্বনত যেনে-বিশ্বকৰ্মা পূজা, সৰস্বতী পূজাত নাট প্ৰদৰ্শন হয়। ইয়াত জাতি, ধৰ্ম, বৰ্ণ, নিৰিশেষে অভিনয় কৰিব পাৰে।

**০.৫. ভাৰীগান আৰু খুলীয়া ভাউৰীয়াৰ মাজত সাদৃশ্যঃ**

ভাৰীগান আৰু খুলীয়া ভাউৰীয়া দুয়োবিধ পৰিৱেশ্যকলাই অসমীয়া সংস্কৃতিৰ বৰ ঘৰত এক সুকীয়া আসন গ্ৰহণ কৰি আছে। এই সমধৰ্মী অনুষ্ঠান দুবিধৰ মাজত থকা সাদৃশ্য সমূহ হ'ল-

(১) সহ অভিনয় নচলে

(২) মুখাৰ ব্যৱহাৰ

(৩) ওজা গীদালৰ প্ৰাধান্য

(৪) নৃত্য-গীত কথোপকথনৰ ব্যৱহাৰ

(৫) পালি বাইন খোল বাদক

(৬) বহুৱা, কেটুৱা চৰিত্ৰৰ উপস্থাপন

(৭) পোহৰৰ বাবে ভোট, পেট্ৰোমাক্সৰ ব্যৱহাৰ

(৮) অস্থায়ী মঞ্চ অৰ্থাৎ খোলাৰ ব্যৱহাৰ

(৯) তাল আৰু খোল বাদ্য ব্যৱহাৰ

(১০) ধনু কাড়, অস্ত্ৰ-শস্ত্ৰ, গদা, শংখ, ত্ৰিশূল আদিৰ ব্যৱহাৰ আৰু

(১১) আৰম্ভণিতে বন্দনাৰ ব্যৱহাৰ

সাজসজ্জাঃ গীদালজনৰ পোছাক মন কৰিবলগীয়া। বগা ৰঙৰ চুৰীয়া, হাতদীঘল চোলা, ডিঙিত ফুলাম পাজাৰ আৰু মুৰত পাগুৰি থাকে। ভৰিত থাকে নূপুৰ। ওজাজনৰ পোছাকত মূৰত ধেনুভেৰীয়া টুপি, গাত বগা চাপকন চোলাৰ ককালত কোচদিয়া (ভৰিলৈকে দীঘল জামা)। এহাতে চোঁবৰ, আনহাতে দীঘল ৰুমাল আৰু ভৰিত নূপুৰ, ডিঙিত অলংকাৰ আৰু কপালত বগা চন্দনৰ ফোঁট থাকে। পালিসকলৰ পিন্ধনত ডিঙিত গামোছা, বগা ধুতি, চোলা।

**০.৬.অধ্যায়নৰ গুৰুত্বঃ**

গোৱালপাৰা জিলাত ঠায়ে ঠায়ে পৰিৱেশিত হৈ অহা ভাৱীগান এক মনোৰঞ্জনধৰ্মী অনুষ্ঠান। পৰিৱেশ্য কলা হিচাবে এই অনুষ্ঠানৰ এক সুকীয়া মৰ্যাদা আছে। কৃত্তিবাসী ৰামায়ণক আধাৰ কৰি কাহিনী পৰিৱেশন কৰি এই অনুষ্ঠান সমূহে ৰাইজৰ সমাদৰ লাভ কৰি আহিছে।

দৰং জিলাৰ খুলীয়া ভাউৰীয়া অনুষ্ঠানেও অসমৰ লোক পৰিৱেশ্য কলাৰ ভঁৰাল চহকী কৰি আহিছে ৰামায়ণ-মহাভাৰত-পুৰাণৰ একোটি কাহিনীৰ ওপৰত এই দলবোৰে নাট্য অভিনয় প্ৰদৰ্শন কৰি ৰাইজৰ মাজত নৈতিকতা আৰু আধ্যাত্মিকতাৰ ভাব বিলাই ফুৰে।

বৰ্তমান সময়ত দেখা গৈছে যে বিজ্ঞানৰ ন ন আৱিষ্কাৰ আৰু ইয়াৰ ব্যৱহাৰ তথা গোলকীকৰণৰ চৌৰে ব্যক্তি তথা সমাজৰ সকলো দিশকে চুই গৈছে। যাৰ ফলত জীৱন ধাৰণ প্ৰণালীত এক পৰিৱৰ্তনে দেখা দিছে। দৃশ্য-শ্ৰব্য সঁজুলিৰ সঘণ ব্যৱহাৰৰ ফলত অন্য সংস্কৃতিত ভূমুকি মাৰিবলৈ সহজ হৈছে। ফলত বিভিন্ন সংস্কৃতিৰ প্ৰতি ভাবুকিও আহি পৰিছে। এই পৰিপ্ৰেক্ষিতত অসমৰ এক সুকীয়া পৰিৱেশ্য কলা হিচাপে আসন শুৱনি কৰি থকা ভাৱীগান আৰু খুলীয়া ভাউৰীয়াৰ বিষয়ে অধ্যয়ন কৰাটো অতি আৱশ্যক।

এই অধ্যয়নত ভাৱীগান আৰু দৰঙৰ খুলীয়া ভাউৰীয়াৰ বিষয়ে অধ্যয়ন কৰিবলৈ প্ৰয়াস কৰা হৈছে।

**০.৭. অভিকল্প গাথ নিঃ**

**৭.১. অধ্যয়নৰ শিৰোনামঃ**

ওপৰৰ আলোচনাৰ ওপৰত নিৰ্ভৰ কৰি এই অধ্যয়নৰ শিৰোনাম ৰখা হৈছে- "ভাৱীগানৰ সমধৰ্মী অনুষ্ঠান দৰঙৰ খুলীয়া ভাউৰীয়াৰ উল্লিখন সহ।"

**৭.২.অধ্যয়নৰ উদ্দেশ্য ঃ**

ক) ভাৱীগান আৰু খুলীয়া ভাউৰীয়াৰ বিষয়ে অধ্যয়ন কৰা

খ) ভাৱীগান আৰু খুলীয়া ভাউৰীয়াৰ মাজত থকা সাদৃশ্য দাঙি ধৰা

গ) দৰঙৰ গৰৈমাৰা কৃষক খুলীয়া ভাউৰীয়াৰ বিষয়ে আলোকপাত কৰা

**৭.৩. অধ্যয়ন ক্ষেত্ৰ ঃ**

গৰৈমাৰা গাওঁখন দৰং জিলাৰ মঙ্গলদৈ মহকুমাৰ ছিপাঝাৰ টাউনৰ পৰা ২.৫ কি.মি. আৰু মঙ্গলদৈ চহৰৰ পৰা প্ৰায় ১৫ কি.মি. দক্ষিণ পশ্চিমত অৱস্থিত। ৫২ নং ৰাষ্ট্ৰীয় ঘাইপথৰ উত্তৰ দিশত অৱস্থিত গাঁওখনৰ পূব সীমাত মাৰৈ গাঁও। পশ্চিমে নঁৈ নদী, দক্ষিণে পুনিয়া গাওঁ আৰু বিখ্যাত 'নাৰিকলী মন্দিৰ' আৰু উত্তৰ দিশত নৈটাপাৰা গাওঁ অৱস্থিত।

**৭.৪. অধ্যয়নৰ সীমাবদ্ধতা ঃ**

ক) এই অধ্যয়ন কেৱল ভাৰীগান আৰু খুলীয়া ভাউৰীয়াকহে সামৰিছে।

খ) এই অধ্যয়ন অকল দৰঙৰ 'গৰৈমাৰা কৃষক খুলীয়া ভাউৰীয়া' তে সীমাবদ্ধ।

**৭.৫. পদ্ধতি ঃ**

অধ্যয়নৰ প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰি 'বৰ্ণনাত্মক-জৰিপ' পদ্ধতি ব্যৱহাৰ কৰা হৈছে। এই অধ্যয়ন প্ৰাথমিক আৰু গৌণ তথ্যৰ ওপৰত নিৰ্ভৰশীল।

**০.৮. গৰৈমাৰা কৃষক খুলীয়া ভাউৰীয়া ঃ**

ছিপাঝাৰ অঞ্চল সংস্কৃতি চৰ্চাৰ ক্ষেত্ৰত অতি চহকী। এই অঞ্চল ওজাপালি, ঢেপাচুলীয়া, কালীয়া, নাগাৰা নাম, চিয়াগীত, খুলীয়া ভাউৰীয়া আদিৰ বাবে অতি বিখ্যাত।

**৮.১. নাম ঃ 'পুনীয়া-গৰৈমাৰা খুলীয়া ভাউৰীয়া'**

প্ৰতিষ্ঠা কাল ঃ ১৯৫৯ চন।

প্ৰথম সভাপতি ঃ ˚ডিম্বেশ্বৰ চহৰীয়া, পুনীয়া

সম্পাদক ঃ ˚ ভূবন চন্দ্ৰ চহৰীয়া, পুনীয়া

দল পৰিচালক ঃ ˚ ভদ্ৰকান্ত বড়া, গৰৈমাৰা

সহ পৰিচালক ঃ ˚ ৰগীৰাম চহৰীয়া, পুনীয়া

সূত্ৰধাৰী ঃ ˚ পতিৰাম কেওঁট, পুনীয়া, ˚লক্ষীৰাম বড়ো, গৰৈমাৰা

বঞ্চুৱা ঃ ˚ ৰগীৰাম চহৰীয়া, পুনীয়া

নাটকৰ গুৰু ঃ ˚জয়ৰাম ডেকা, পাথৰি ঘাট ঘিলাকুৰী, ˚অনিৰাম কেওঁট, ˚ বোপোৰা কেওঁট, ˚ ফটিক কেওঁট, বাইন

খুলীয়া ঃ ˚ভদ্ৰকান্ত বড়া, বাইন-গৰৈমাৰা, ˚নগেন বড়ো, গৰৈমাৰা, ˚কেশৱ কেওঁট,

ভাৰীগানৰ সমধৰ্মী অনুষ্ঠান দৰঙৰ খুলীয়া ভঊৰীয়া ঃ গৰৈমাৰা কৃষক ....

পুনীয়া,ˆবনমালী বড়ো, গাৰমাৰা

নাৰীৰ চৰিত্ৰৰ অভিনেতা ঃ হৰিন্দ্ৰ চহৰীয়া, পুনীয়া, সোনেশ্বৰ নাথ, পুনীয়া

প্ৰথম নাটক ঃ কালজঙঘা বধ

**৮.২. গৰৈমাৰা কৃষক খুলীয়া ভাউৰীয়া ঃ**

ইংৰাজী ১৯৭৩ চনত সামাজিক ঘটনাৰ পৰিপ্ৰেক্ষিতত দলটি দুভাগত বিভক্ত হয়। ফলত 'গৰৈমাৰা কৃষক খুলীয়া ভাউৰীয়া' দলৰ জন্ম হয়। এই সমিতিৰ বিষয়ববীয়া সকল হ'ল-

সভাপতি ঃˆলোকেশ্বৰ চহৰীয়া, নৰশক্তি পাৰা

উপসভাপতি ঃˆ ভূবনেশ্বৰ ডেকা

সম্পাদক ঃˆ লক্ষীৰাম বড়া

পৰিচালক ঃˆভদ্ৰকান্ত বড়া

সহ পৰিচালক ঃ শ্ৰী শ্ৰীকান্ত শইকীয়া

সূত্ৰধাৰী ঃ শ্ৰী চণ্ডীৰাম বড়া

নাটকৰ গুৰু ঃ ফটিক কেওঁট,পাথৰিঘাট-ঘিলাকুৰী

খুলীয়া ঃˆ ভদ্ৰকান্ত বড়া, বাইন, ˆৰত্নেশ্বৰ নাথ,ˆ বনমালী বড়া,ˆ নগেন বড়া, শ্ৰীমতিৰাম ডেকা।

বহুৱা ঃ শ্ৰী গণেশ্বৰ বড়া

প্ৰথম নাটক ঃ 'কালজঙঘা বধ'

বৰ্তমান সভাপতি শ্ৰীহৰকান্ত নাথ, সম্পাদক শ্ৰীসত্য চহৰীয়া।

**৮.৩. নাটক সমুহ ঃ**

দলটিয়ে পৰিৱেশন কৰা নাটক সমুহ হ'ল ঃ ১. কালজঙঘা বধ, ২. ভূজঙ্গ বধ, ৩. খটাসুৰ বধ, ৪. মহিষাসুৰ বধ, ৫. মান্ধাতা, ৬. পূণ্যৰ ফল, ৭. উষা হৰণ, ৮. ভক্ত প্ৰহ্লাদ, ৯. কুৰুক্ষেত্ৰ মহাসমৰ, ১০. ৰাৱণ বধ, ১১. পাৰ্থ পৰাজয়, ১২. কৃপাচাৰ্য বধ আৰু ১৩. অভিমন্যু বধ।

আটাই কেইখন নাটক কোনে ৰচনা কৰিছিল গম পোৱা নাযায়। 'মহিষাসুৰ বধ' খনি শ্ৰীহৰকান্ত নাথ দেৱে কাটিছিল। 'অভিমন্যু বধ' নাটখনি শ্ৰীজীৱকান্ত নাথ দেৱে 'কুৰুক্ষেত্ৰ মহাসমৰ' নাট খনিৰ আধাৰত ২ ঘন্টাত পৰিৱেশন কৰিব পৰাকৈ (১ ঘন্টা ৪৫ মিনিট) কাটিছিল। আন কেইখন নাটক সংগ্ৰহ কৰা বাবে নাট্যকাৰ কোন জনা নাযায়।

৮.৪. শিক্ষাগত অৰ্হতা ঃ

অভিনেতা সকলৰ শিক্ষাগত অৰ্হতা তলত দিয়া ধৰণৰ (২০১৩ চনত)

| শ্ৰেণী | সংখ্যা |
|---|---|
| ১ ম- ২য় | ০৪ |
| ৬ ষ্ঠ- ৮ম | ০৪ |
| নৱম - দশম | ১৫ |
| প্ৰবেশিকা | ০৭ |
| দ্বাদশ | ০৬ |
| স্নাতক | ০৫ |
| স্নাতকোত্তৰ, এম. ফিল | ০১ |
| মুঠ অভিনেতাৰ পৰিমাণ | ৪২ জন |

৮.৫. অভিনেতাৰ বয়স ঃ বৰ্তমান অভিনেতা সকলৰ বয়স এনেধৰণৰ -

| বয়স | সংখ্যা |
|---|---|
| ৮৩ বছৰ | ০১ |
| ৮০ বছৰ | ০১ |
| ৭১-৭৪ বছৰ | ০৩ |
| ৬০-৬৭ বছৰ | ১০ |
| ৫০-৫১ বছৰ | ০২ |
| ৪০-৪৯ বছৰ | ১৮ |
| ৩০-৩৯ বছৰ | ০৬ |
| ২৩ বছৰ | ০১ |

উৎসঃ সম্পাদক

৮.৬. সঁজুলি ঃ

নাট্যদলটিয়ে ব্যৱহাৰ কৰা কিছুমান সঁজুলিৰ নাম এনেধৰণৰ - কালিং (চুলি), আধাপকা কালিং,ঋষিৰ কালিং, ঋষিৰ ঘটি, বৰ কালিং, মহিলা কালিং, খোপা কালিং, শংখ, টিলিঙা, ধেনু, খোল, তাল, ঢাল, গদা, চক্ৰ, বাঘৰ মুখা, বুঢ়া-বুঢ়ীৰ মুখা, ফুল বয়েল, খোলৰ কাপোৰ, কিৰিটি, মুকুট, বাজু, পাগুৰি, কৃষ্ণৰ চেট ইত্যাদি।

৮.৭. পাৰিতোষিক ঃ

শিল্পী সকলে কোনোধৰণৰ পাৰিতোষিক গ্ৰহণ নকৰে। তাৰ সলনি দুই তিনি বছৰৰ মূৰে মূৰে ভ্ৰমণ কৰে।

০.৯. সমস্যা ঃ অভিনেতা সকলৰ

ক) আৰ্থিক দুৰৱস্থা

খ) সময়ৰ নাটনি

গ) পাৰিতোষিক নাই

ঘ) দলৰ কম মাননি

১০. পৰামৰ্শ ঃ

ক) নাটক পৰিৱেশনৰ সময় চমু কৰিব পাৰে ঃ নিশা ৯ বজাৰ পৰা ১২ বজালৈ

খ) শিল্পীদলক উপযুক্ত পৰিমাণৰ মাননি দিব লাগে

গ) শিল্পীসকলৰ শিল্পী পেঞ্চনৰ ব্যৱস্থা কৰিব লাগে

ঘ) ভাৰীগানৰ ক্ষেত্ৰত মুখাৰ ওজন কমাব লাগে

ঙ) চকু দুটাত ফুটা কৰিলে ভাল

চ) সাজপোছাকত সংশোধন আনিব পাৰে

১১. সামৰণি ঃ

সংস্কৃতি সদায় বোঁৱতি সুঁতিৰ দৰে। ইয়াৰ পৰিৱৰ্তন আৰু পৰিবৰ্দ্ধন হৈ থাকে। লোক সংস্কৃতিৰ ক্ষেত্ৰতো এই কথা ৰজে। সময়ৰ লগত খোজ মিলাই আগবাঢ়োঁতে মানুহৰ জীৱন যাত্ৰা শৈলীত পৰিৱৰ্তনৰ প্ৰভাব পৰে। বৰ্তমান সময়ত প্ৰযুক্তি বিদ্যাৰ বৰঙণি তথা দৃশ্য-শ্ৰব্য-সজুলিৰ ব্যৱহাৰৰ ফল স্বৰূপে বিশ্বৰ আন আন সংস্কৃতিত ভূমুকি মাৰিবলৈ তেনেই উজু হৈ পৰিছে। আন আন সংস্কৃতিৰ প্ৰতি আকৰ্ষিত হোৱাও দেখা গৈছে। তাৰ ফল স্বৰূপে আমাৰ বহু লোকসংস্কৃতি অস্তিত্বৰ সংকটৰ সন্মুখীন হৈছে। এনে এক পৰিপ্ৰেক্ষিতত যি সকল কলা কুশলীয়ে অশেষ ত্যাগ আৰু সাধনা কৰি ভাৰীগান আৰু খুলীয়া ভাউৰীয়াৰ চৰ্চা অব্যাহত ৰাখিছে তেওঁলোকক উচিত শ্ৰদ্ধা- ভক্তি তথা মাননি প্ৰদান কৰা উচিত। বিশেষকৈ ভাৰীগানৰ মুখাৰ ব্যৱহাৰ সহজ কৰি তুলিবলৈ কিছু সংস্কাৰ সাধনৰ কথা চিন্তা কৰিব লাগে। সাজ-পোছাকৰ আকৰ্ষণীয় দিশৰ প্ৰতিও, সচেতন হোৱা দৰকাৰ। তেনে অৱস্থাতহে সময়ৰ সতে ফেৰ মাৰি আমাৰ লোক সংস্কৃতিৰ বাহক স্বৰূপে সংস্কৃতিকবিশ্বৰ দৰবাৰলৈ আগুৱাই নিব পৰা যাব।

***

গ্ৰন্থ পঞ্জী ঃ

সৰকাৰ ডেকা, আল্পনা, ৰাভা মলিনাদেৱী ২০০২ ঃ ভাষা সাহিত্য-কলাৰ গলপতা, অসমীয়া বিভাগ, বিকালী মহাবিদ্যালয়, ধূপধৰা

ডেকা, ৰামচন্দ্ৰ নাথ, প্ৰসন্ন কুমাৰ ২০০৫ ঃ সাৰঙ্গ সৌৰভ, সম্পাদক আদৰণী সমিতি অসম সাহিত্য সভাৰ অষ্টষষ্ঠিতম্ ছিপাঝাৰ অধিৱেশন

বৰদলৈ, নিৰ্মল প্ৰভা ১৯৯৬ ঃ অসমৰ লোক সংস্কৃতি, বীণা লাইব্ৰেৰী, গুৱাহাটী-১

ৰাজবংশী, পৰমানন্দ, ৰাজবংশী শৈলেন কুমাৰ ২০১১ ঃ দৰঙী লোক সাহিত্য সমীক্ষা, অসম সাহিত্য সভা

ৰাভা, ললিত চন্দ্ৰ ২০০৯ ঃ ৰাভা সংস্কৃতিৰ ৰেঙণি, ৰূপায়ণ প্ৰকাশন, বকো

শৰ্মা, নবীন চন্দ্ৰ ১৯৯৬ অসমৰ পৰিৱেশ্য কলা ওজাপালি, বাণী প্ৰকাশ, গুৱাহাটী-১

শৰ্মা, নবীন চন্দ্ৰ ২০১৩ঃ অসমৰ সাংস্কৃতিক ইতিহাস (২য় খণ্ড), অসম সাহিত্য সভা

হাকাচাম, উপেন ৰাভা ২০০৬ ঃ ৰাভা লোক সংস্কৃতি, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী-২১